৩) Kothari, Garge. research Methodology : Methods and Techniques. New Delhi : New Age International (P) Limited, 2015

৫.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ স্ন'বল নমুনা সংগ্রহ তেতিয়া ব্যৱহাৰ কৰা হয় যেতিয়া ক্ষেত্রত নমুনা উপলব্ধ হোৱাৰ বিষয়ে নিচেই অকণমান জ্ঞান থাকে। এই পদ্ধতিৰ জৰিয়তে গৱেষকে তেওঁৰ সীমিত জ্ঞানৰ দ্বাৰা এটা নমুনা সংগ্রহ আৰু উপলব্ধ সাজ্ঞাৎকাৰদাতাৰ পৰা তথ্য আহৰণেৰে আনবোৰ নমুনাত নিজক আয়ত্বলৈ আনিব।

২ নং প্রশ্নৰ উত্তৰ ঃ আৱদ্ধ নমুনা সংগ্রহ পদ্ধতি হৈছে এক নমুনা সংগ্রহ পদ্ধতি য'ত অধ্যয়নৰ ক্ষেত্রখনক কিছুমান উপশিতানত ভাগ কৰা হয় যাতে সঠিক তথ্য সংগ্রহ কৰিব পৰা যায় আৰু এই তথ্যই অধ্যয়নৰ ক্ষেত্রখনক যাতে সঠিককৈ প্রতিনিধিত্ব কৰে। এই পদ্ধতি তেতিয়া ব্যৱহাৰ কৰা হয় যেতিয়া সংগ্রহ কৰিবলগীয়া তথ্যৰ আকাৰ ডাঙৰ হব।

৫.৮ আৰ্হি প্রশ্ন

ক) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ গৱেষণাত নমুনা সংগ্রহৰ গুৰুত্ব কি?

প্রশ্ন ২ ঃ সম্ভাব্য নমুনা কি? ইয়াৰ প্রকাৰসমূহ কি কি?

প্রশ্ন ৩ ঃ অসম্ভাব্য নমুনা কি? ইয়াৰ প্রকাৰসমূহ কি কি?

খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ যাদৃচ্ছিক নমুনা কি? জনসংখ্যাৰ পৰা যাদৃচ্ছিক নমুনা সংগ্রহৰ এটা পদ্ধতি বর্ণনা কৰক।

প্রশ্ন ২ ঃ স্তৰীকৃত আৰু বহুতৰপীয় নমুনা সংগ্রহ পদ্ধতি উদাহৰণসহ ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ সমাজতাত্ত্বিক গৱেষণাত নমুনা সংগ্রহ পদ্ধতিৰ সুবিধাসমূহ আলোচনা কৰক।

*** ***** ***